যিয়ে গোটেই বছৰ ৰোজা পালন কৰে, তাৰ ৰোজাই নহয়। মাহত তিনিটা ৰোজা পালন কৰিলেই গোটেই বছৰৰ ৰোজা পালন কৰাৰ ছোৱাব অৰ্জন হয়।

আব্দুল্লাহ বিন আমৰ ইবনুল আচ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে (তেওঁক) কৈছিল যে, "তুমি বোলে সদায় ৰোজা ৰখা আৰু ওৰে ৰাতি নামাজ পঢ়া?" তেতিয়া মই ক'লোঁ, হয়। তেখেতে ক'লেঃ "তুমি এনেকৈ কৰিলে তোমাৰ চকু বহি পৰিব আৰু তোমাৰ শৰীৰ দুৰ্বল হ'ব। যিয়ে গোটেই বছৰ ৰোজা পালন কৰে, তাৰ ৰোজাই নহয়। মাহত
তিনিটা ৰোজা পালন কৰিলেই গোটেই বছৰৰ ৰোজা পালন কৰাৰ ছোৱাব অৰ্জন হয়।" তেতিয়া মই ক'লোঁ, মই ইয়াতকৈ বেছি ৰাখিবলৈ সক্ষম। তেতিয়া তেখেতে ক'লেঃ "তেন্তে তুমি দাঊদ আলাইহিচ্ছালামৰ দৰে ৰোজা পালন কৰা, তেওঁ এদিন ৰোজা ৰাখিছিল আৰু এদিন ৰখা নাছিল।
লগতে তেওঁ যেতিয়া শত্ৰুৰ সন্মুখীন হৈছিল তেতিয়া পলায়ন কৰা নাছিল।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে খবৰ পালে যে, আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাই গোটেই বছৰ ৰোজা পালন কৰে, এদিনো ৰোজা নৰখাকৈ নাথাকে। এইদৰে ওৰে ৰাতি নামাজ পঢ়ি অতিবাহিত কৰে, ৰাতি নুশুৱে। ফলত তেখেতে তেওঁক মাতি আনি ইয়াৰ পৰা নিষেধ কৰিলে আৰু ক'লে যে, এদিন ৰোজা ৰাখিবা আৰু এদিন এৰি দিবা, ৰাতিত নামাজো পঢ়িবা আৰু টোপনিও যাবা। লগতে তেখেতে তেওঁক একেলেঠাৰিয়ে ৰোজা ৰাখিবলৈ আৰু গোটেই ৰাতি নামাজ পঢ়িবলৈ নিষেধ কৰিছে। তেওঁক উপদেশ দি কৈছেঃ যদি তুমি এনেকৈ কৰি থাকা তেন্তে তোমাৰ দৃষ্টিশক্তি দুৰ্বল হৈ পৰিব আৰু চকু ভিতৰ ফালে সোমাই পৰিব আৰু তোমাৰ শৰীৰ দুৰ্বল হৈ পৰিব আৰু তুমি ক্লান্ত হৈ পৰিবা। শুনা! কোনো দিন ৰোজা এৰি নিদিয়াকৈ যিয়ে গোটেই বছৰ ৰোজা ৰাখে, তাৰ কোনো ৰোজাই নহয়। কাৰণ নিষেধাজ্ঞাক অমান্য কৰি ৰোজা ৰাখিলে সেই ৰোজাৰ কোনো ছোৱাব নাই। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক প্ৰত্যেক মাহত তিনিটাকৈ ৰোজা ৰখাৰ উপদেশ দিলে যে, ইয়াৰ ফলত গোটেই বছৰৰ ৰোজাৰ ছোৱাব পোৱা যাব। কাৰণ প্ৰতিটো ৰোজাৰ ছোৱাব, দহটা ৰোজাৰ সমপৰিমাণ। এইটো হৈছে ছোৱাব বৃদ্ধিৰ নূন্যতম উদাহৰণ। তেতিয়া আব্দুল্লাহে ক'লেঃ মই ইয়াতকৈও অধিক ৰাখিবলৈ সক্ষম। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তেন্তে তুমি চওমে দাঊদ পালন কৰা। এইটো হৈছে উত্তম চিয়াম। তেওঁ এদিন ৰোজা ৰাখিছিল আৰু এদিন এৰি দিছিল। লগতে তেওঁ যেতিয়া শত্ৰুৰ মুখামুখি হৈছিল, তেতিয়া পলায়ন কৰা নাছিল। কাৰণ এনেকুৱা ৰোজাৰ ফলত শৰীৰ দুৰ্বল নহয়।

http://www.sunnah.global/hadeeth/as/show/6017